**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-01-2025
**Time :** 12-05 Hrs.

***Assamese Midday Bulletin***

বি টি আৰ চুক্তি আৰু বড়ো শান্তি চুক্তিৰ পঞ্চম বাৰ্ষিকী উপলক্ষে বিটিচিত শান্তি, সম্প্ৰীতি আৰু উন্নয়নৰ লক্ষ্যৰে দুদিনীয়াকৈ অনুষ্ঠিত কাৰ্যসূচীৰ আজি দ্বিতীয় দিনা কোকৰাঝাৰ গ্ৰীণ ফিল্ডত আয়োজিত মুকলি সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিছে। এই অনুষ্ঠানতে তেওঁ হৰিণাগুৰিত নতুনকৈ নিৰ্মাণ কৰা বি টি চি ৰ কাৰ্যবাহী সদস্য আৰু পাৰিষদসকলৰ আবাসিক চৌহদো আনুষ্ঠানিকভাৱে মুকলি কৰিব। তদুপৰি মুখ্যমন্ত্ৰীয়ে আজি কোকৰাঝাৰ বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক ভৱনৰ আধাৰশিলাও স্থাপন কৰিব। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত মুখ্যমন্ত্ৰী ড° শৰ্মাই কোকৰাঝাৰত আয়োজন কৰা বাথৌ পূজাৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

বড়োলেণ্ড আঞ্চলিক পৰিষদ, বি টি চিৰ উদ্যোগত কোকৰাঝাৰত কালিৰপৰা দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত অনুষ্ঠানৰ প্ৰথম দিনা এটা মটৰচাইকেল সমদল উলিওৱা হয়। কালি বিয়লিৰ ভাগত বডোফা সাংস্কৃতিক প্ৰকল্পত বড়োলেণ্ড এচিভাৰ্ছ এৱাৰ্ড সমাৰোহ অনুষ্ঠিত হয়। এই সমাৰোহত অঞ্চলটোৰ উন্নয়নৰ প্ৰতি বিশেষ বৰঙণি আগবঢ়োৱা বিভিন্ন বিভাগৰ সৈতে জড়িত ৮৫ গৰাকী ব্যক্তিৰ লগতে আন ৫৬ গৰাকী ব্যক্তিক স্বীকৃতি প্ৰদান কৰি সন্মান জনোৱা হয়।

০০০০

পথৰুঘাটৰ কৃষক ছহিদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদনৰ উদ্দেশ্যে দৰঙত তিনিদিনীয়াকৈ অনুষ্ঠিত ১৩১ সংখ্যক কৃষক ছহিদ দিৱসৰ আজি অন্তিম দিনা বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। আজি পুৱাৰ ভাগত কৃষক ছহিদ সমাধিত শ্ৰদ্ধাঞ্জলি, ছহিদ তৰ্পণ আৰু সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ পাছত এখন মুকলি সভাৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিবলগীয়া এই সভাত কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক আৰু পৰ্যটন দপ্তৰৰ মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, ৰাজ্য চৰকাৰৰ কৃষি মন্ত্ৰী অতুল বৰা আৰু দৰং জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। পথৰুঘাটৰ কৃষক বিদ্ৰোহৰ স্মৃতি সুঁৱৰি ডাক বিভাগে প্ৰকাশ কৰা এটা বিশেষ ডাকটিকটো আজিৰ মুকলি সভাতে দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই আনুষ্ঠানিকভাৱে উন্মোচন কৰিব। অনুষ্ঠানৰ অংশ হিচাপে সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হৈছে।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে প্ৰতিবেশী ৰাজ্যকেইখনতো আজি বড়ো-কছাৰী জনগোষ্ঠীৰ লোকসকলে পৰম্পৰাগত ৰীতি-নীতিৰে বাথৌ পূজা পালন কৰিছে। বড়ো-কছাৰী জনগোষ্ঠীৰ ঘাই দেৱতা বাথৌৰ আৰাধনাৰ বাবে বছৰত দুবাৰকৈ এই পূজাৰ আয়োজন কৰা হয়। এই পূজাত সিজু আৰু তুলসী গছৰ দুটা ডাল একেলগ কৰি তাৰে বাথৌ বেদী সাজি পূজা কৰা হয়। এই পূজাত দেওধনী আৰু খেৰাই

নৃত্য পৰিৱেশন কৰা হয়। এই পূজাৰ সৈতে বিভিন্ন লোকবিশ্বাস আৰু পৰম্পৰা জড়িত হৈ আছে। জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহৰ ভিতৰত আয়োজিত এই পূজা সাধাৰণতে মাঘৰ দ্বিতীয়টো মঙলবাৰে কৰা হয়। সদৌ বাথৌ মহাসভাৰ কোকৰাঝাৰ জিলা সমিতিয়ে কোকৰাঝাৰ নগৰৰ বাগানশালীত থকা থানশালীত এই পূজাৰ আয়োজন কৰিছে। বাথৌ দেৱতাক পূজা-অৰ্চনা কৰাৰ বাবে আজি পুৱাৰে পৰা অঞ্চলটোত অগণন লোকৰ সমাগম হৈছে।

০০০০

কাৰ্বি আংলং জিলাৰ বকলিয়াত অনুষ্ঠিত ৩৩ সংখ্যক কাৰ্বি লামমেত আমেই অৰ্থাৎ কাৰ্বি সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশনৰ কালি সামৰণি পৰে। কালি সভাৰ সভাপতি কামসিং হান্সেৰ অধ্যক্ষতাত আয়োজিত মুকলি সভাত কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সহস্য তুলিৰাম ৰংহাং উপস্থিত থাকে। নিজৰ ভাষণত শ্ৰী ৰংহাঙে কাৰ্বি লামমেত আমেৰ উন্নয়ন আৰু প্ৰশাৰৰ বাবে এক কোটি টকাৰ বাৰ্ষিক আৰ্থিক সাহায্য দিয়া হ'ব বুলি ঘোষণা কৰে। তেওঁ লগতে মাতৃ ভাষা আৰু সাহিত্যৰ চৰ্চা কৰা লোকক আৰ্থিক উদগণি দিয়া হ'ব বুলি উল্লেখ কৰি সভাৰ শাখা আৰু উপ-শাখা কাৰ্যালয়ৰ বাবে ভূমি আৱণ্টন দিয়া হ'ব বুলিও ঘোষণা কৰে। এই অনুষ্ঠানত কাৰ্বি কলা-সংস্কৃতিৰ গৱেষক লুনছে টিমুঙক সম্বৰ্ধনা জনোৱা হয়।

চাৰি দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কাৰ্বি সাহিত্য সভাৰ এই বাৰ্ষিক অধিৱেশনত কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়। কাৰ্বি আংলঙৰ ১৩৩খন শাখা সভাৰ প্ৰতিনিধিয়ে এই অধিৱেশনত অংশগ্ৰহণ কৰে বুলি কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক লীলাধৰ তেৰনে আমাৰ সংবাদদাতাক জানিবলৈ দিয়ে।

০০০০

তিনিচুকীয়াৰ পেঙেৰীত যোৱা নিশা এটা দুৰ্বৃত্তৰ দলে পেঙেৰী চাৰি আলিত থকা এটা পেট্ৰ'ল পাম্পত ডকাইটিৰ ঘটনা সংঘটিত কৰে। ৫ জনীয়া দলটোৱে পিষ্টল দেখুৱাই পেট্ৰ'ল পাম্পটোৰ পৰা লক্ষ্যাধিক টকা লুটি নিয়ে বুলি আমাৰ সংবাদদাতাই জনাইছে। আৰক্ষীয়ে এই ঘটনাৰ অভিযুক্ত এজনক আটক কৰাৰ লগতে পলাতক বাকী চাৰিজনক কৰায়ত্ব কৰাৰ বাবে অভিযান চলাই আছে। আটকাধীন পল্লৱ চেতীয়া নামৰ লোকজনৰ পৰা আৰক্ষীয়ে নগদ ধন আৰু এখন বাহন জব্দ কৰিছে।

০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ টি-টুৱেণ্টি শৃংখলাৰ তৃতীয়খন খেল আজি গুজৰাটৰ ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত খেলোৱা হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ৫ খনীয়া শৃংখলাত সূৰ্য কুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতৰ দলটো সম্প্ৰতি ২-০ৰ ব্যৱধানত আগবাঢ়ি আছে। কলকাতাত অনুষ্ঠিত শৃংখলাৰ প্ৰথম খেলখনত ভাৰতে ইংলেণ্ডক ৭ উইকেটত আৰু চেন্নাইত অনুষ্ঠিত দ্বিতীয়খন খেলত ২ উইকেটত পৰাস্ত কৰিছিল।

০০০০

সমাপ্ত